# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-05-2024

**Time :** 1340 Hrs

## *Assamese Midday Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ওড়িশাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

২। কংগ্ৰেছ দলে ধৰ্মৰ ভিত্তিত সংৰক্ষণ ব্যৱস্থাৰ আৰম্ভণিৰে সংবিধান পৰিৱৰ্তন কৰিবলৈ বিচৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অভিযোগ উত্থাপন কৰিছে।

৩। আম আদমী পাৰ্টীয়ে বিজেপিয়ে মূল্যবৃদ্ধি প্ৰতিৰোধত বিফল হোৱা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

৪। ভাইচ এডমিৰেল সঞ্জই ভাল্লাই আজি ভাৰতীয় নৌসেনা বাহিনীৰ কৰ্মচাৰীসকলৰ মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ওড়িশাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। আজি সন্ধিয়া ভূৱনেশ্বৰত তেওঁ প্ৰায় আঢ়ৈ কিলোমিটাৰজোৰা এটা বিশাল ৰোড শ্ব'ত ভাগ ল'ব। বিজেপিয়ে এইবাৰ ৰাজ্যখনত অহা ১৩ তাৰিখৰ পৰা চাৰিটা পৰ্যায়ত হ'বলগীয়া লোকসভা আৰু বিধানসভা নিৰ্বাচনত ভাল ফলাফল লাভ কৰাৰ আশাৰে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোডীৰ উপস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। সেই উদ্দেশ্যে আজি দুপৰীয়াৰে পৰা ৰোড শ্ব'ৰ দিশে যোৱা সকলো পথৰ যাতায়ত বন্ধ কৰি দিয়া হৈছে। শ্ৰীমোডীয়ে আজি নিশাটো ভূৱনেশ্বৰত কটোৱাৰ পাছত কাইলৈ কান্ধামাল, বালনগীৰ আৰু বাৰগঢ় লোকসভা সমষ্টিৰ তিনিটা ৰোড শ্ব'ত ভাষণ দিব।

ooooooo

কংগ্ৰেছ দলে ধৰ্মৰ ভিত্তিত সংৰক্ষণ ব্যৱস্থাৰ আৰম্ভণিৰে সংবিধান পৰিৱৰ্তন কৰিবলৈ বিচৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অভিযোগ উত্থাপন কৰিছে। এটা ব্যক্তিগত বাতৰি চেনেলত দিয়া সাক্ষাৎকাৰত

শ্ৰীমোডীয়ে কয় যে তেওঁৰ চৰকাৰে সংবিধান পৰিৱৰ্তন কৰিব বুলি কেতিয়াও উল্লেখ কৰা নাই। বাক স্বাধীনতা সংশোধন কৰি কংগ্ৰেছে পূৰ্বেও সংবিধানৰ মূল নীতিক আক্ৰমণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে লগতে কংগ্ৰেছ নেতা ছেম পিট্ৰোডাই ভাৰতীয়সকলৰ বিষয়ে শেহতীয়াকৈ কৰা মন্তব্যই কংগ্ৰেছ দলৰ মনোভাৱকে প্ৰতিফলিত কৰে বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ দৰে এখন দেশত য'ত জনসাধাৰণে কৃষ্ণক উপাসনা কৰে তেনে এখন দেশত ক'লা আৰু বগাৰ পাৰ্থক্যৰে কাম কৰাৰ কোনো প্ৰাসংগিকতা নাই। শ্ৰীমোডীয়ে লগতে কয় যে ভাৰতবৰ্ষ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ দৰে আদৰ্শৰে ধন্য এখন দেশ।

0000000

আম আদমী পাৰ্টীয়ে আজি বিজেপিয়ে মূল্যবৃদ্ধি প্ৰতিৰোধত বিফল হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত আপৰ জ্যেষ্ঠ নেতা সৌৰভ ভৰদ্বাজে বৰ্তমানৰ চৰকাৰৰ শাসন কালত দেশত ভোকাতুৰ লোকৰ মাত্ৰা ভয়ংকৰভাৱে বৃদ্ধি পাইছে বুলি অভিযোগ কৰে। তেওঁ লগতে গ্ৰামীণ আৰু নগৰীয়া দুয়োটা এলেকাতে খৰচৰ তুলনাত জনসাধাৰণৰ উপাৰ্জন সমানুপাতিকভাৱে বৃদ্ধি পোৱা নাই বুলিও কয়। ব্যাপক মাত্ৰাত দেখা দিয়া নিবনুৱা সমস্যা আৰু মুদ্ৰাস্ফীতিৰ পৰিণতিতে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। আপৰ নেতাগৰাকীয়ে লগতে শাক-পাচলি, দাইল মাহ আদিৰ দৰে দৈনন্দিন ব্যৱহাৰ কৰা সামগ্ৰীসমূহৰ মূল্য অত্যাধিক বৃদ্ধি পোৱা বুলিও অভিযোগ কৰে।

0000000

ঝাৰখণ্ডত ১৪খন লোকসভা আসনৰ বাবে অন্তিম চাৰিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ত ৰাজ্যখনত চাৰিখন আসনৰ বাবে ভোটগ্ৰহণ কৰাহ'ব। ৰাঁচীৰ সংবাদদাতাই এই বিষয়ে জনাইছে।

0000000

মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ চাৰিটা ভোটগ্ৰহণ কেন্দ্ৰত আজি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ অব্যাহত আছে। ৰাজাপুৰ, দুদৰ ৰায়ত, কুন্দ ৰায়ত আৰু চিখলিমাল কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰা হৈছে। মধ্য প্ৰদেশৰ মুখ্য নিৰ্বাচনী বিষয়া অনুপম ৰাজনে জনোৱা অনুসৰি সপুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু বিয়লি ৬ বজাত সামৰণি পৰিব। এই চাৰিটা ভোটগ্ৰহণ কেন্দ্ৰত ৩ হাজাৰ ৩৭জন ভোটদাতা আছে। এই কেন্দ্ৰকেইটাত যোৱা ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও ভোটগ্ৰহণৰ পাছত ই ভি এম কঢ়িয়াই নিয়া বাছখনত জুই লগাৰ পৰিপ্ৰেক্ষিতত এই কেন্দ্ৰকেইটাৰ ই ভি এমসমূহ জুইত জাহ গৈছিল।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কালি নতুন দিল্লীত কলা ৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে জম্মু-কাশ্মীৰৰ ৰোমালো ৰামক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ৰোমালো ৰাম জম্মু অঞ্চলৰ ড'গ্ৰী লোকশিল্পী আৰু ড'গ্ৰী লোকগীত গীতৰুৰ প্ৰকৃত প্ৰতিষ্ঠাপক হিচাপে পৰিচিত। তেওঁ নিজৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমেৰে মৃতপ্ৰায় লোকশিল্প "গীতৰু আৰু ভাখ"ক পুনৰুজ্জীৱিত কৰিছিল। তেওঁ "গীতৰুৱেন দি ফৌহাৰ' নামৰ এখন গ্ৰন্থও ৰচনা কৰিছিল।

0000000

তিনিগৰাকী নিৰ্দলীয় বিধায়কে বিজেপি চৰকাৰৰ প্ৰতি তেওঁলোকৰ সমৰ্থন প্ৰত্যাহাৰ কৰাৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছে হাৰিয়ানাত ৰাষ্ট্ৰপতি শাসনৰ দাবী কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে কথা পাতি দলৰ

সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কয় যে হাৰিয়ানা চৰকাৰে স্পষ্টভাৱে বহুমত হেৰুৱাইছে আৰু ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ বাবে ই এটা উচিত কাৰণ। তেওঁ হাৰিয়ানাৰ লগতে কেন্দ্ৰতো বিজেপিৰ দিন চমু চাপি আহিছে বুলিও দাবী কৰে।

০০০০০০০

ভাইচ এডমিৰেল সঞ্জই ভাল্লাই আজি ভাৰতীয় নৌসেনা বাহিনীৰ কৰ্মচাৰীসকলৰ মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ১৯৮৯ চনৰ ১ জানুৱাৰীত তেওঁ ভাৰতীয় নৌবাহিনীত যোগদান কৰিছিল। ৩৫ বছৰীয়া কৰ্মজীৱনত তেওঁ বন্দৰ আৰু সমুদ্ৰৰ উভয় ক্ষেত্ৰতে ভালেমান বিশেষজ্ঞ, কৰ্মচাৰী আৰু পৰিচালন নিযুক্তিৰ ক্ষেত্ৰত কাম কৰিছিল। শ্ৰীভাল্লাই তেওঁৰ বিশেষ প্ৰশিক্ষণ সমাপ্তিৰ পাছত কেইবাখনো আগশাৰীৰ যুদ্ধজাহাজত বিশেষজ্ঞ হিচাপে অৱদান আগবঢ়াই আহিছে। আই এন এছ নিছাংক, আই এন এছ তাৰাগিৰি, আই এন এছ বীজৰ দৰে জাহাজত সমুদ্ৰ ক্ষেত্ৰত তেওঁ সমান্তৰালভাৱে বিভিন্ন প্ৰত্যাহ্বান গ্ৰহণ কৰি উপযুক্ত নিৰ্দেশনা আগবঢ়াই আহিছিল। তেওঁৰ এই বিশিষ্ট সেৱাৰ সন্মানস্বৰূপে শ্ৰীভাল্লাক অতিবিশিষ্ট সেৱা পদক, নৌসেনা পদক আগবঢ়োৱাৰ উপৰি নৌসেনা বাহিনীৰ মুৰব্বী আৰু ফ্লেগ অফিচাৰ কমাণ্ডিং ইন চীফৰ পৰাও প্ৰশংসা লাভ কৰিছিল।

০০০০০০০

কেৰালাৰ চাৰিটা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উপসাগৰীয় দেশসমূহৰ বিভিন্ন গন্তব্যস্থানলৈ যাবলগীয়া এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ বিমানসমূহৰ যাতায়ত এতিয়াও ব্যাহত হৈ আছে। বিমান পৰিচালন কৰ্তৃপক্ষ আৰু কৰ্মচাৰীসকলৰ মাজত ইতিমধ্যে এই সন্দৰ্ভত চুক্তি সম্পন্ন হৈছিল। কোচিন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা ডামাম আৰু মাস্কতলৈ আজি পুৱাৰ বিমান যাত্ৰা বাতিল কৰা হয় যদিও ডুবাই, ডোহা আৰু আবুধাবিলৈ বিমান যাত্ৰাৰ সময় নিৰ্দ্ধাৰণ কৰা হৈছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল, মনোজ সিনহাই কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰাইজলৈ ভগৱান পৰশুৰাম জয়ন্তী আৰু অক্ষয় তৃতীয়ৰ শুভেচ্ছা জ্ঞাপন কৰিছে।এ টা বাৰ্তাত তেওঁ কয় যে ভগৱান পৰশুৰাম হৈছে ধৰ্ম , সাহস আৰু কৰুণাৰ মূৰ্তি আৰু তেওঁৰ জীৱন আৰু গভীৰ শিক্ষাই মানৱজাতিক অনাগত সকলো সময়তে পথ প্ৰদৰ্শন কৰি থাকিব।এই শুভ দিনটোৱে সকলোৰে বাবে শান্তি , সমৃদ্ধি আৰু সুখৰ সূচনা কৰিব বুলি উপ-ৰাজ্যপাল গৰাকীয়ে কামনা কৰে।

০০০০০০০

পাকিস্তান সন্দৰ্ভত মণি শংকৰ আয়াৰৰ বক্তব্যৰ পিছতে বিজেপিয়ে কংগ্ৰেছৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। পাৰমাণৱিক শক্তি ৰ অধিকাৰী কাৰণে ভাৰতে পাকিস্তানক সন্মান কৰিব লাগে বুলি শ্ৰী আয়াৰে মন্তব্য কৰিছিল । নতুন দিল্লীত সংবাদ মাধ্যম ৰ আগত বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে অভিযোগ কৰে যে কংগ্ৰেছ দল সন্ত্ৰাসবাদক পোষকতা কৰা পাকিস্তানৰ সমৰ্থনকাৰী হৈ পৰিছে । চন্দ্ৰশেখৰে কংগ্ৰেছ নেতা ছেম পিট্ৰ'ডাই শেহতীয়াকৈ দিয়া আপত্তিজনক বক্তব্যৰ বিষয়ে প্ৰকাশ কৰি কয় যে এ নে ধৰণৰ বক্তব্যসমূহে কংগ্ৰেছ দলৰ আদৰ্শ, নীতি আৰু উদ্দেশ্যৰে প্ৰতিফলন ঘটায়।

০০০০০০০

গুজৰাটৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই চুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে যোৱানিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত খেলত পাঞ্জাব কিংছক ৬০ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২৪২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত  ২৪১ ৰান কৰে। বেংগালুৰুৰ হৈ বিৰাট কোহলিয়ে মাত্ৰ ৪৭টা বলত ৯২ ৰান কৰে। কালিৰ ফলাফলৰ অন্তত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ সপ্তম স্থানত আৰু পাঞ্জাৱ নৱম স্থানত আছে।

০০০০০০০

সমাপ্ত